NEWZ NOW

সংখ্যা ১৮ | বুধবাৰ, ১১ নৱেম্বৰ ২০২৬ | অসমৰ ডিজিটেল বাতৰি কাকত

অসম

অসমীয়া মহিলাক অশ্লীল ইংগিত দিয়া বিহাৰীক ৰাজপথতে আঁঠু কঢ়ালে জাতীয় সংগ্ৰামী সেনাই

অসমীয়া মহিলাক অশ্লীল ইংগিত দিয়াৰ অভিযোগত বিহাৰৰ কৃষ্ণ শৰ্মাক ৰাজপথত আঠু কাঢ়ি ৰাজহুৱাকৈ ক্ষমা খোজালে জাতীয় সংগ্ৰামী সেনাই



NewzNow ডেস্ক | ১১ নৱেম্বৰ ২০২৬, আবেলি ৪:১১

অসম, ১১ নৱেম্বৰ, ২০২৬:অসমীয়া মহিলাক অশ্লীল ইংগিত দি বিপাঙত বিহাৰৰ ব্যক্তি , ৰাজপথতে আঁঠু কাঢ়ি ক্ষমা খুজিলে কৃষ্ণ শৰ্মাই। দীপাৱলীৰ নিশা এগৰাকী অসমীয়া মহিলাক অশ্লীল ইংগিত দিয়াৰ লগতে শৰীৰত হাত দিয়াৰ ভাবুকি প্ৰদান কৰাৰ অভিযোগত বিপাঙত পৰিছে বিহাৰৰ এজন ব্যক্তি। অভিযুক্ত ব্যক্তিজনৰ নাম কৃষ্ণ শৰ্মা বুলি জানিব পৰা গৈছে। মণিকা দাস নামৰ মহিলাগৰাকীয়ে তেওঁৰ বিৰুদ্ধে এই অভিযোগ উত্থাপন কৰিছে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2113

দেশ

ডিগাৰুত কলকাতা-ছাইৰাং এক্সপ্ৰেছৰ লাইনচ্যুতৰ ঘটনাত ৮জন আহত, চিকিৎসাৰ অন্তত সকলোকে মুকলি



গুৱাহাটী, ১১ নৱেম্বৰ: অসমৰ ডিগাৰু ৰে'ল ষ্টেচনত কলকাতা-ছাইৰাং এক্সপ্ৰেছ লাইনচ্যুত হোৱাৰ ঘটনাত আঠজন লোক আহত হোৱাৰ তথ্য পোহৰলৈ আহিছে।
পঢ়ক: https://newznow.in/news/2034

অসম

১৭ নৱেম্বৰত কলম্বিয়া বিশ্ববিদ্যালয়ত, ১৮ নৱেম্বৰত চিকাগো বিশ্ববিদ্যালয়ত ৰাহুল গান্ধীৰ আলোচনা চক্ৰ



নতুন দিল্লী, ১১ নৱেম্বৰ: লোকসভাৰ বিৰোধী দলপতি তথা কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে অহা সপ্তাহত আমেৰিকা ভ্ৰমণ কৰি দুখন আগশাৰীৰ বিশ্ববিদ্যালয়ত বিশেষ আলোচনাত অংশগ্ৰহণ কৰিব।
পঢ়ক: https://newznow.in/news/2152

দেশ

কুলগামত সন্ত্ৰাসবাদীৰ গুলীচালনা, আহত ৩ চিআৰপিএফ জোৱান



কুলগাম, ১১ নৱেম্বৰ: জম্মু-কাশ্মীৰৰ কুলগাম জিলাত বুধবাৰে মটৰচাইকেলত অহা সন্দেহভাজন সন্ত্ৰাসবাদীয়ে চিআৰপিএফৰ এটা নাকাত গুলীচালনা কৰাত ৩ জন জোৱান আহত হৈছে।
পঢ়ক: https://newznow.in/news/2119

উত্তৰ-পূৰ্বাঞ্চল

ত্ৰিপুৰাৰ ৫ পৌৰ নিকায়ত বিজেপিৰ বিনা প্ৰতিদ্বন্দ্বিতাৰে ৭৭খন আসন



আগৰতলা, ১১ নৱেম্বৰ: ত্ৰিপুৰাৰ পাঁচখন পৌৰ নিকায়ত বিজেপিয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে ৭৭খন আসন লাভ কৰিছে।
পঢ়ক: https://newznow.in/news/2066

ভিতৰৰ পাতত

উত্তৰ-পূৰ্বাঞ্চল: জনজাতীয় সমাজক লৈ বিতৰ্কিত মন্তব্য...
আন্তঃৰাষ্ট্ৰীয়: ভাৰত-ব্ৰিটেইন বাণিজ্য চুক্তিত শুল্...
দেশ: ২৩ বছৰ পুৰণি পিতৃত্ব বিতৰ্ক! জেনীৰ...
দেশ: ২০১৭ৰ পূৰ্বে শাসনৰ গাদীত বহি আছিল...

উত্তৰ-পূৰ্বাঞ্চল

জনজাতীয় সমাজক লৈ বিতৰ্কিত মন্তব্যৰ অভিযোগ; বিজেপি বিধায়কৰ ক্ষমা দাবী

NewzNow ডেস্ক | ১১ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:০৮



আগৰতলা, ১১ নৱেম্বৰ: ত্ৰিপুৰাৰ জনজাতীয় সমাজক লৈ বক্সনগৰৰ বিজেপি বিধায়কগৰাকীয়ে আপত্তিজনক মন্তব্য কৰা বুলি অভিযোগ উত্থাপিত হোৱাক কেন্দ্ৰ কৰি বিতৰ্কৰ সৃষ্টি হৈছে। টিপ্ৰা মথা পাৰ্টিৰ বিধায়ক পল ডাংছুৱে সংশ্লিষ্ট বিধায়কগৰাকীয়ে ৰাজহুৱাভাৱে নিঃচৰ্ত ক্ষমা খোজাৰ দাবী জনাইছে।

সামাজিক মাধ্যমত প্ৰচাৰিত বিধায়কগৰাকীৰ নিৰ্বাচনী প্ৰচাৰৰ এটা ভিডিঅ' সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ডাংছুৱে মন্তব্যটোক সংকীৰ্ণতা আৰু অহংকাৰৰ প্ৰকাশ বুলি অভিহিত কৰে।

ভিডিঅ'টোত জনজাতীয় লোকসকলে গাহৰিৰ সৈতে খায়, বংশবৃদ্ধি কৰে আৰু বাস কৰে বুলি মন্তব্য ক...

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2038

আন্তঃৰাষ্ট্ৰীয়

ভাৰত-ব্ৰিটেইন বাণিজ্য চুক্তিত শুল্ক বিতৰ্ক, বন্দৰসমূহত আবদ্ধ ৮০ৰো অধিক স্কচ হুইস্কিৰ কণ্টেইনাৰ

NewzNow ডেস্ক | ১১ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:২৮



নতুন দিল্লী, ১১ নৱেম্বৰ: ভাৰত-ব্ৰিটেইন মুক্ত বাণিজ্য চুক্তি কাৰ্যকৰী হোৱাৰ কেইমাহমানৰ ভিতৰতে স্কচ হুইস্কিৰ আমদানি শুল্কক লৈ বিতৰ্কৰ সৃষ্টি হৈছে। ব্ৰিটেইনৰ পৰা বৃহৎ পাত্ৰত আমদানি কৰা স্কচ হুইস্কিৰ ৮০টাতকৈও অধিক কণ্টেইনাৰ ভাৰতীয় বন্দৰসমূহত আবদ্ধ হৈ আছে।

বিতৰ্কৰ কেন্দ্ৰবিন্দু হৈছে বৃহৎ পাত্ৰত আমদানি কৰা স্কচ হুইস্কিৰ ওপৰত কিমান শুল্ক আৰোপ কৰা হ'ব। চুক্তিখনৰ অধীনত স্কচ হুইস্কিৰ আমদানি শুল্ক ১৫০ শতাংশৰ পৰা ৭৫ শতাংশলৈ হ্ৰাস কৰা হৈছিল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2092

দেশ

২৩ বছৰ পুৰণি পিতৃত্ব বিতৰ্ক! জেনীৰ কাষত মুখ্যমন্ত্ৰী

NewzNow ডেস্ক | ১১ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৩২



গুৱাহাটী, ১১ নৱেম্বৰ: উত্তৰাখণ্ডৰ প্ৰাক্তন মন্ত্ৰী তথা কংগ্ৰেছ নেতা হৰক সিং ৰাৱতক কেন্দ্ৰ কৰি ২৩ বছৰ পুৰণি পিতৃত্ব বিতৰ্কই পুনৰ চৰ্চা লাভ কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2012

দেশ

ডিগাৰু ৰে'ল দুৰ্ঘটনাৰ পিছৰে পৰা সন্ধানহীন অষ্ট্ৰেলীয় পৰ্যটক, মিজোৰামলৈ গৈ আছিল যুৱকজন

NewzNow জিলা ডেস্ক | ১১ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৪০



গুৱাহাটী, ১১ নৱেম্বৰ: ডিগাৰু ৰে'ল ষ্টেচনত কলকাতা-ছাইৰাং এক্সপ্ৰেছ লাইনচ্যুত হোৱাৰ পিছৰে পৰা সন্ধানহীন হৈ আছে মিজোৰাম অভিমুখে যাত্ৰা কৰা এজন অষ্ট্ৰেলীয় পৰ্যটক।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2047

দেশ

২০১৭ৰ পূর্বে শাসনৰ গাদীত বহি আছিল মুন্না ভাই- মুখ্যমন্ত্রী যোগী আদিত্যনাথ

NewzNow ডেস্ক | ১১ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:০৮



লক্ষ্ণৌ, ১১ নৱেম্বৰ, ২০২৬:

'২০১৭ৰ পূর্বে চৰকাৰী নিযুক্তি ব্যৱস্থাত সক্রিয় আছিল মুন্না ভাইসকল', পূর্বৰ চৰকাৰক লক্ষ্য যোগীৰ২০১৭ চনৰ পূর্বে উত্তৰ প্রদেশৰ চৰকাৰী নিযুক্তি ব্যৱস্থাক লৈ পূর্বৰ চৰকাৰসমূহক তীব্র সমালোচনা উত্তৰ প্রদেশৰ মুখ্যমন্ত্রী যোগী আদিত্যনাথৰ। নিযুক্তি প্রক্রিয়াত দুর্নীতি আৰু অনিয়মৰ অভিযোগ উত্থাপন কৰি তেওঁ কয় যে সেই সময়ত চৰকাৰী নিযুক্তি ব্যৱস্থাত 'মুন্না ভাই'সকলৰ প্রভাৱ আছিল।

বুধবাৰে লক্ষ্ণৌত ১,১৪৬গৰাকী নৱনিযুক্ত কনিষ্ঠ সহায়কক নিযুক্তি পত্র প্রদানৰ এক অনুষ্ঠানত অংশগ্রহণ কৰি মুখ্যমন্ত্রীগৰাকীয়ে এই মন্তব্য কৰে।

বাকী অংশ ৱেবছাইটত

সম্পূর্ণ খবৰ:

https://newznow.in/news/2082

দেশ

জনজাতীয় অধিকাৰ কর্মী নিশা ভগতৰ মৃত্যুৰ তদন্ত চিবিআইক অর্পণ

NewzNow ডেস্ক | ১১ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৪৯



ৰাঁচী, ১১ নৱেম্বৰ: ঝাৰখণ্ডৰ জনজাতীয় অধিকাৰ কর্মী নিশা ভগতৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ তদন্ত চিবিআইক অর্পণৰ নির্দেশ দিছে মুখ্যমন্ত্রী হেমন্ত ছোৰেনে। মঙলবাৰে সামাজিক মাধ্যমযোগে মুখ্যমন্ত্রীগৰাকীয়ে এই ঘোষণা কৰে।

বাকী অংশ ৱেবছাইটত


সম্পূর্ণ খবৰ:

https://newznow.in/news/2024

দেশ

বিদেশী পুঁজিৰ অভিযোগ নাকচ ছাম পিট্ৰ'ডাৰ, জর্জ ছ'ৰছক লৈ কংগ্রেছক প্রত্যাক্রমণ বিজেপিৰ

NewzNow ডেস্ক | ১১ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৫০



নতুন দিল্লী, ১১ নৱেম্বৰ: কংগ্রেছ আৰু বিৰোধী INDIA মিত্রজোঁটৰ কার্যকলাপত বিদেশী পুঁজিৰ প্রভাৱ থকাৰ অভিযোগ নাকচ কৰিছে Indian Overseas Congressৰ অধ্যক্ষ ছাম পিট্ৰ'ডাই। বিজেপিয়ে ৰাহুল গান্ধীৰ বিদেশ ভ্রমণক কেন্দ্র কৰি বাৰে বাৰে বিতর্কৰ সৃষ্টি কৰা বুলি অভিযোগ কৰি পিট্ৰ'ডাই বিদেশী হস্তক্ষেপৰ দাবীক ভিত্তিহীন আখ্যা দিছে।

ANIৰ সৈতে হোৱা কথা-বতৰাত পিট্ৰ'ডাই কয় যে INDIA মিত্রজোঁটৰ শক্তিৰ উৎস ভাৰতীয় ভোটাৰ। বিদেশী কোনো সংস্থাৰ নির্দেশ বা সহায়ৰ ওপৰত বিৰোধী মিত্রজোঁট নির্ভৰশীল নহয় বুলিও তেওঁ দাবী কৰে।

বাকী অংশ ৱেবছাইটত

সম্পূর্ণ খবৰ:

https://newznow.in/news/2050

দেশ

উৰণৰ পূর্বে Air India-ৰ বিমান অপহৰণৰ ভাবুকি, কলকাতা বিমানবন্দৰত নিৰাপত্তাজনিত সতর্কতা

NewzNow ডেস্ক | ১১ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৩৮



কলকাতা, ১১ নৱেম্বৰ: কলকাতাৰ নেতাজী সুভাষ চন্দ্র বসু আন্তঃৰাষ্ট্রীয় বিমানবন্দৰত বুধবাৰে পুৰা সৃষ্টি হয় নিৰাপত্তাজনিত উদ্বেগ।

বাকী অংশ ৱেবছাইটত

সম্পূর্ণ খবৰ:

https://newznow.in/news/2016

দেশ

মাদাৰ ডেইৰীৰ গাখীৰৰ দাম বৃদ্ধি, ১২ নৱেম্বৰৰ পৰা প্ৰতি লিটাৰত ৪ টকালৈ অধিক মূল্য

NewzNow ডেস্ক | ১১ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:১৯



নতুন দিল্লী, ১১ নৱেম্বৰ: দিল্লী-এনচিআৰ অঞ্চলত মাদাৰ ডেইৰীয়ে বিভিন্ন প্ৰকাৰৰ গাখীৰৰ দাম প্ৰতি লিটাৰত ২ৰ পৰা ৪ টকাকৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত লৈছে। নতুন মূল্য ১২ নৱেম্বৰৰ পৰা কাৰ্যকৰী হ'ব।

কৃষকৰ পৰা গাখীৰ ক্ৰয়ৰ ব্যয় বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত এই সিদ্ধান্ত লোৱা হৈছে বুলি সূত্ৰই জনাইছে। উৎপাদন ব্যয় বৃদ্ধিৰ এটা অংশ গ্ৰাহকৰ ওপৰত জাপি দিয়া হ'ব। এই সন্দৰ্ভত প্ৰতিষ্ঠানটোৰ মুখপাত্ৰই কোনো মন্তব্য কৰা নাই।

নতুন মূল্য অনুসৰি, পেকেটত উপলব্ধ ফুল ক্ৰীম গাখীৰৰ দাম প্ৰতি লিটাৰত ৭২ টকাৰ পৰা ৭৬ টকালৈ বৃদ্ধি পাব।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2007

দেশ

ইথানল-মিশ্ৰিত পেট্ৰলক লৈ যোশী-আৰশ্বাদৰ বাক্যযুদ্ধ

NewzNow ডেস্ক | ১১ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:২৯



বেংগালুৰু: পেট্ৰলত ইথানল মিশ্ৰণৰ মাত্ৰা, ইন্ধন পৰীক্ষাৰ পদ্ধতি আৰু গ্ৰাহকক সঠিক তথ্য প্ৰকাশৰ দাবীক কেন্দ্ৰ কৰি কেন্দ্ৰীয় মন্ত্ৰী প্ৰহ্লাদ যোশী আৰু কৰ্ণাটকৰ মন্ত্ৰী ৰিজৱান আৰশ্বাদৰ মাজত বাক্যযুদ্ধ আৰম্ভ হৈছে। কংগ্ৰেছে ৰাহুল গান্ধীক সন্তুষ্ট কৰিবলৈ এই বিষয়টো উত্থাপন কৰিছে বুলি যোশীয়ে অভিযোগ কৰিছে। আনহাতে, কৰ্ণাটক চৰকাৰ ইথানল মিশ্ৰণৰ বিৰোধী নহয়; ৰাজ্যখনে স্বচ্ছতা আৰু স্বতন্ত্ৰ ইন্ধন পৰীক্ষাহে বিচাৰিছে বুলি আৰশ্বাদে স্পষ্ট কৰিছে।

বিতৰ্কৰ মূল বিষয় হৈছে, ই-২০ হিচাপে বিক্ৰী হোৱা পেট্ৰলত ঘোষিত সীমাতকৈ অধিক ইথানল থাকিব পাৰে বুলি কৰ্ণাটক চৰকাৰে উত্থাপন কৰা আশংকা।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1985

অসম

ডিগবৈত ভাঙি পৰিল কালী পূজাৰ মণ্ডপ, ক্ষতিগ্ৰস্ত ক্ষুদ্ৰ ব্যৱসায়ীৰ সামগ্ৰী

বিজয় সূত্ৰধৰ | ১১ নৱেম্বৰ ২০২৬, আবেলি ৬:৩৩




ডিগবৈ, ১১ নৱেম্বৰ: নিশা অহা প্ৰচণ্ড ধুমুহা-বৰষুণে ডিগবৈৰ কালী পূজাৰ আনন্দ-উৎসৱত ব্যাঘাত জন্মোৱাৰ লগতে বিস্তৰ ক্ষতিসাধন কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2164

দেশ

শুল্ক আৰু বাণিজ্য-সুবিধাকৰণক লৈ ভাৰত-আমেৰিকাৰ আলোচনা

NewzNow ডেস্ক | ১১ নৱেম্বৰ ২০২৬, পুৱা ১১:২৭



নতুন দিল্লী: প্ৰস্তাৱিত দ্বিপাক্ষিক বাণিজ্য চুক্তিৰ প্ৰথম পৰ্যায় শীঘ্ৰে চূড়ান্ত কৰাৰ প্ৰচেষ্টাৰ মাজতে ভাৰত আৰু আমেৰিকাই শুল্ক-সংক্ৰান্ত বিষয় আৰু বাণিজ্য-সুবিধাকৰণক লৈ নতুন দিল্লীত আলোচনা কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1923

অসম

'হাইৱে ধাবা'ৰ প'ষ্টাৰ, শীৰ্ষক গীত মুকলি; ১১ ডিচেম্বৰত মুক্তি

NewzNow ডেস্ক | ১১ নৱেম্বৰ ২০২৬, আবেলি ৬:৩৩



গুৱাহাটী, ১১ নৱেম্বৰ: নতুন অসমীয়া ছবি 'হাইৱে ধাবা'ৰ আনুষ্ঠানিক প'ষ্টাৰ আৰু শীৰ্ষক গীত গুৱাহাটীৰ জ্যোতি চিত্ৰবনত অনুষ্ঠিত এক বিশেষ অনুষ্ঠানত মুকলি কৰা হয়। জনপ্ৰিয় কণ্ঠশিল্পী কুসুম কৈলাশে কণ্ঠদান কৰা গীতটোৱে ইতিমধ্যে দৰ্শকৰ মাজত আগ্ৰহ সৃষ্টি কৰিছে।


'সম্যক ফিল্মছ'ৰ বেনাৰত নিৰ্মিত ছবিখনৰ কাহিনী, পৰিচালনা আৰু প্ৰযোজনা কৰিছে দেৱ প্ৰসন্নই। ৰোমাণ্টিক-কমেডী আৰু পাৰিবাৰিক মনোৰঞ্জনধৰ্মী কাহিনীৰে নিৰ্মিত ছবিখনে অসমৰ ছবিগৃহলৈ এক নতুন সোৱাদ কঢ়িয়াই আনিব বুলি আশাবাদী নিৰ্মাতাগোষ্ঠী।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2169

অসম

অসমত ভুৱা চিকিৎসকৰ বিৰুদ্ধে অভিযান, চাৰি দিনত ৫জনক গ্ৰেপ্তাৰ

শাহ আলম | ১১ নৱেম্বৰ ২০২৬, আবেলি ৫:২৯



গুৱাহাটী, ১১ নৱেম্বৰ: অসমত অৰ্হতাবিহীনভাৱে চিকিৎসা সেৱা আগবঢ়োৱা ভুৱা চিকিৎসকৰ বিৰুদ্ধে আৰক্ষী আৰু স্বাস্থ্য বিভাগে অভিযান তীব্ৰতৰ কৰি তুলিছে। শেহতীয়া চাৰি দিনত ৰাজ্যৰ বিভিন্ন স্থানৰ পৰা পাঁচজন সন্দেহযুক্ত ভুৱা চিকিৎসকক গ্ৰেপ্তাৰ কৰা হৈছে।

অসম কাউন্সিল অৱ মেডিকেল ৰেজিষ্ট্ৰেচনৰ অধীনস্থ ভুৱা চিকিৎসকবিৰোধী আৰু সতৰ্কতা কোষে অসম আৰক্ষীৰ সহযোগত এই অভিযান চলাই আহিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2143

অসম

টংলাত কিশোৰীক ধৰ্ষণৰ চেষ্টা, ডিঙি চেপি হত্যাৰ চেষ্টাৰ অভিযোগ

NewzNow ডেস্ক | ১১ নৱেম্বৰ ২০২৬, আবেলি ৫:৫২



ওদালগুৰি, ১১ নৱেম্বৰ: ওদালগুৰি জিলাৰ টংলাৰ উত্তৰ জংঘলপাৰাত এগৰাকী ১৩ বছৰীয়া কিশোৰীক ধৰ্ষণৰ চেষ্টা কৰাৰ লগতে গামোচাৰে ডিঙি চেপি হত্যাৰ চেষ্টা চলোৱাৰ অভিযোগ উঠিছে। ঘটনাক কেন্দ্ৰ কৰি অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2160

অসম

মা কামাখ্যা কোক ইণ্ডাষ্ট্ৰিজত জি এছ টি ফাঁকিৰ সন্দেহ, দুজন স্বত্বাধিকাৰীৰ সন্ধান নাই

NewzNow ডেস্ক | ১১ নৱেম্বৰ ২০২৬, আবেলি ৫:২৯



গুৱাহাটী, ১১ নৱেম্বৰ: কেইবাকোটি টকাৰ জি এছ টি ফাঁকিৰ সন্দেহত গুৱাহাটীৰ বেলতলাস্থিত মা কামাখ্যা কোক ইণ্ডাষ্ট্ৰিজৰ বিৰুদ্ধে জি এছ টি গোয়েন্দা আৰু বলৱৎকাৰী গোটে তদন্ত অব্যাহত ৰাখিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2147

অসম

মৈৰাবাৰীত অবৈধ কার্যকলাপ বন্ধৰ দাবীত প্রশাসনক কঠোৰ সকীয়নি মুছলিম ছাত্র সন্থাৰ

NewzNow ডেস্ক | ১১ নৱেম্বৰ ২০২৬, আবেলি ৫:১৩



মৈৰাবাৰী, ১১ নৱেম্বৰ, ২০২৬:

মদ, ড্রাগছ, ভাং, তীৰ-জুৱাকে ধৰি বিভিন্ন অবৈধ কার্যকলাপ বন্ধ কৰাৰ দাবীত সৰৱ হৈ পৰিছে মুছলিম ছাত্র সন্থা। বৃহত্তৰ মৈৰাবাৰী অঞ্চলত দীর্ঘদিন ধৰি চলি থকা বুলি অভিযোগ কৰা এনে কার্যকলাপৰ বিৰুদ্ধে ব্যৱস্থা গ্রহণৰ দাবীত সংগঠনটোৱে প্রশাসনক স্মাৰক-পত্র প্রদান কৰিছে।

মৰিগাঁও জিলাৰ আৰক্ষী অধীক্ষক আৰু সমজিলা আয়ুক্তলৈ প্রেৰণ কৰা স্মাৰক-পত্রত মৈৰাবাৰী, লাহৰিঘাট, ভূৰাগাঁও আৰু হাহচৰা অঞ্চলত মদ, ড্রাগছ, ভাং, তীৰ-জুৱা আদিৰ বিৰুদ্ধে শীঘ্রে কঠোৰ ব্যৱস্থা গ্রহণ কৰিবলৈ দাবী জনাইছে সংগঠনটোৱে।

বাকী অংশ ৰেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/2142

অসম

ডিগবৈৰ ৰামনগৰত ভয়ংকৰ অগ্নিকাণ্ড, সম্পূর্ণৰূপে ভস্মীভূত ডিগবৈ গার্ডেন কেফে

বিজয় সূত্রধৰ | ১১ নৱেম্বৰ ২০২৬, আবেলি ৪:৫৯



তিনিচুকীয়া জিলাৰ ডিগবৈৰ ৰামনগৰত সংঘটিত এক ভয়ংকৰ অগ্নিকাণ্ডত সম্পূর্ণৰূপে ভস্মীভূত হ'ল ডিগবৈ গার্ডেন কেফে। বিনা হাজৰিকাৰ মালিকানাধীন কেফেখনত সংঘটিত এই অগ্নিকাণ্ডৰ ফলত ব্যাপক ক্ষতিসাধন হৈছে।

বাকী অংশ ৰেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/2135

অসম

মাকুম বাইপাছত ধান ক্রয় কেন্দ্র উদ্বোধন কৃষি মন্ত্রী পিযুষ হাজৰিকাৰ

ৰাতুল ডেকা | ১১ নৱেম্বৰ ২০২৬, আবেলি ৪:৫৬




কৃষকৰ মুখত হাঁহি বিৰিঙোৱাৰ লক্ষ্যৰে মাকুমত আৰম্ভ হ'ল এক গুৰুত্বপূর্ণ পদক্ষেপ। চৰকাৰৰ নূন্যতম সমর্থিত মূল্যত ধান ক্রয়ৰ জৰিয়তে কৃষক ৰাইজৰ সর্বাংগীন উন্নয়ন তথা প্রক্রিয়াটোক অধিক গতিশীল কৰাৰ লক্ষ্যৰে আজি তিনিচুকীয়াৰ মাকুম বাইপাছ জিৰ' পইণ্টস্থিত মকুম পি পি চি ত কৃষি বিভাগ উদ্যোগত ধান ক্রয় কেন্দ্র আনুষ্ঠানিকভাৱে মুকলি কৰে অসম চৰকাৰৰ কৃষি মন্ত্রী পিযুষ হাজৰিকাই। এই উপলক্ষে আজি 'ধান ক্রয় নিৰীক্ষণ সমিতিৰ সভা' তথা 'ধান ক্রয় সম্পর্কীয় সজাগতা সভাৰ আয়োজন কৰা হয়।

বাকী অংশ ৰেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/2122

অসম

বজ্রপাতত তিনিজনৰ মৃত্যু, মহিলা আহত

NewzNow জিলা ডেস্ক | ১১ নৱেম্বৰ ২০২৬, আবেলি ৪:৫৪



ৰাজ্যৰ বিভিন্ন প্রান্তত প্রচণ্ড ধুমুহা, বৰষুণ আৰু বজ্রপাতৰ ফলত তিনিজন লোকৰ মৃত্যু হৈছে। এই ঘটনাসমূহত এগৰাকী মহিলা আহত হৈছে।


গোৱালপাৰা জিলাৰ কুমৰী অঞ্চলত বুধবাৰে, ১১ নৱেম্বৰৰ পুৱা ব্রহ্মপুত্রত মাছ ধৰিবলৈ যোৱা ১৯ বছৰীয়া আতাবুল ইছলামৰ বজ্রপাতত মৃত্যু হয়। নিজৰ নাৱত বহি থকা অৱস্থাতে বজ্রপাতৰ আঘাতত যুৱকজনৰ মৃত্যু হয়।

বাকী অংশ ৰেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/2137

অসম

দৰঙত ভুৱা ৰেডিঅ'লজিষ্ট গ্ৰেপ্তাৰ

NewzNow ডেস্ক | ১১ নৱেম্বৰ ২০২৬, আবেলি ৪:৪৮



দৰং, ১১ নৱেম্বৰ: দৰং জিলাৰ খাৰুপেটীয়াত প্ৰয়োজনীয় অৰ্হতা অবিহনে ৰেডিঅ'লজিষ্ট হিচাপে চিকিৎসা সেৱা আগবঢ়োৱাৰ অভিযোগত এজন লোকক গ্ৰেপ্তাৰ কৰিছে আৰক্ষীয়ে। এই ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত নিৰ্ণয় কেন্দ্ৰটোৰ স্বত্বাধিকাৰীজনকো গ্ৰেপ্তাৰ কৰা হৈছে।

গ্ৰেপ্তাৰ হোৱা লোক দুজনক আতাউৰ ৰহমান আৰু মইনুদ্দিন আহমেদ বুলি চিনাক্ত কৰা হৈছে। আতাউৰ ৰহমান মোল্লাপাৰা গাঁৱৰ বাসিন্দা। আনহাতে, নিৰ্ণয় কেন্দ্ৰটোৰ স্বত্বাধিকাৰী মইনুদ্দিন আহমেদ কুৰাৰী পুখুৰী গাঁৱৰ বাসিন্দা।

প্ৰাপ্ত তথ্য অনুসৰি, খাৰুপেটীয়া প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ সন্মুখত অৱস্থিত অসম ডায়েগনষ্টিক...

বাকী অংশ ৰেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2130

অসম

দক্ষিণ কামৰূপত শিলাবৃষ্টি, ক্ষতিগ্ৰস্ত শ শ বিঘা ধানৰ খেতি

NewzNow ডেস্ক | ১১ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৩৬



দক্ষিণ কামৰূপ, ১১ নৱেম্বৰ: শিলাবৃষ্টি, ধুমুহা আৰু ধাৰাসাৰ ৰৱষুণৰ ফলত দক্ষিণ কামৰূপৰ বিভিন্ন স্থানত শ শ বিঘা শালিধানৰ খেতি ক্ষতিগ্ৰস্ত হৈছে। শস্য চপোৱাৰ প্ৰস্তুতি চলোৱা কৃষকসকল বৃহৎ লোকচানৰ আশংকাত পৰিছে।

১১ নৱেম্বৰত পলাশবাৰীৰ জাজি অঞ্চলত হোৱা প্ৰচণ্ড শিলাবৃষ্টিয়ে বিস্তীৰ্ণ শালিধানৰ পথাৰ ক্ষতিগ্ৰস্ত কৰে। বিশেষকৈ ৰৱদুৱাৰ, বাগান আৰু জাজি অঞ্চলত ক্ষতিৰ পৰিমাণ অধিক হোৱা বুলি জানিব পৰা গৈছে। এই অঞ্চলসমূহৰ শ শ বিঘা কৃষিভূমিৰ ধানৰ খেতি শিলাবৃষ্টিত নষ্ট হৈছে বুলি স্থানীয় সূত্ৰই জনাইছে।

বাকী অংশ ৰেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2100

অসম

এক অভিশপ্ত পুৱা, ডিমৌ ৰজাবাৰীৰ বাহ দুৰ্ঘটনাৰ ৩২ বছৰ

NewzNow ডেস্ক | ১১ নৱেম্বৰ ২০২৬, আবেলি ৪:০৯



শিৱসাগৰ, ১১ নৱেম্বৰ: ৩২ বছৰ পূৰ্বৰ এখন অভিশপ্ত বাছৰ কাহিনী।

১৯৯৪ চনৰ ১১ নবেম্বৰ। পুৱাৰ সময় । শিৱসাগৰৰ পৰা ডিব্ৰুগড় অভিমুখে যাত্ৰা আৰম্ভ কৰিছিল অমৰজ্যোতি নামৰ বাছখনে ।

বাকী অংশ ৰেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2108

অসম

গুৱাহাটীত ভুৱা বেংক একাউণ্ট খোলাৰ অভিযোগত নৱীন হুছেইনক গ্ৰেপ্তাৰ

NewzNow ডেস্ক | ১১ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:০৯



গুৱাহাটী, ১১ নৱেম্বৰ: চাইবাৰ প্ৰৱঞ্চনাৰ সৈতে জড়িত থকাৰ সন্দেহত গুৱাহাটীৰ জালুকবাৰীৰ পৰা নৱীন হুছেইন নামৰ এজন লোকক গ্ৰেপ্তাৰ কৰিছে অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান বিভাগৰ চি আই ডিৰ চাইবাৰ চেলে।

বাকী অংশ ৰেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2078

অসম

অসম সাহিত্য সভাৰ সম্পাদক প্ৰধান পদত নয়নমণি চৌধুৰীৰ মনোনয়ন দাখিল

NewzNow ডেস্ক | ১১ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:০৩



গুৱাহাটী, ১১ নৱেম্বৰ: অসম সাহিত্য সভাৰ আগন্তুক সম্পাদকপ্ৰধান পদৰ নিৰ্বাচনক লৈ ৰাজ্যৰ সাহিত্যিক মহলত তৎপৰতা বৃদ্ধি পাইছে। এই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ ১১ নৱেম্বৰত মনোনয়ন পত্ৰ দাখিল কৰে প্ৰাৰ্থী নয়নমণি চৌধুৰীয়ে। গুৱাহাটীৰ ভগৱতীপ্ৰসাদ বৰুৱা ভৱনত থকা অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয়ত তেওঁ মনোনয়ন পত্ৰ দাখিল কৰে। প্ৰায় ১০খন বাহনৰ কনভয়েৰে কাৰ্যালয়ত উপস্থিত হোৱা চৌধুৰীৰ লগত অসম সাহিত্য সভাৰ বিভিন্ন শাখাৰ প্ৰতিনিধি আৰু ৰাজ্যৰ বিভিন্ন জিলাৰ সাহিত্যপ্ৰেমীসকলো উপস্থিত আছিল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2074

অসম

ভেৰগাঁৱত খাগ্ৰাবাৰী-মাজগাঁও ভাটৌ মন্দিৰ সংযোগী পথৰ আধাৰশিলা স্থাপন

NewzNow ডেস্ক | ১১ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৫০



ভেৰগাঁও, ১১ নৱেম্বৰ: ওদালগুৰি জিলাৰ ভেৰগাঁৱত দীৰ্ঘদিন ধৰি জৰাজীৰ্ণ অৱস্থাত থকা এটা পথৰ উন্নয়নৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হৈছে।

এছঅ'পিডি-বিটিচি আঁচনিৰ অধীনত ২০২৬-২৭ বিত্তীয় বৰ্ষত খাগ্ৰাবাৰীৰ পৰা মাজগাঁও ভাটৌ মন্দিৰ হৈ ভেৰগাঁও পি ডব্লিউ ডি পথলৈ সংযোগী আইচিবিপি পথ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰা হয়।


ভেৰগাঁও টিচিএলচিচিৰ অধ্যক্ষ মহেন্দ্ৰ বসুমতাৰীৰ উদ্যোগত অনুষ্ঠিত কাৰ্যসূচীত অৱসৰপ্ৰাপ্ত শিক্ষক নৱেশ্বৰ বড়োৱে আনুষ্ঠানিকভাৱে আধাৰশিলা স্থাপন কৰি নিৰ্মাণকাৰ্যৰ শুভাৰম্ভ কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2062

অসম

মুখ্যমন্ত্ৰীৰ ফেচবুক পোষ্টক লৈ পাৰলিগুৰী-খলপীয়াত আনন্দ

নাছিদুৰ ৰহমান | ১১ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৪৬



লাহৰীঘাট: মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ এটা ফেচবুক পোষ্টক কেন্দ্ৰ কৰি লাহৰীঘাটৰ শিলপুখুৰী গাঁও পঞ্চায়তৰ বৃহত্তৰ পাৰলিগুৰী আৰু খলপীয়া অঞ্চলৰ ৰাইজৰ মাজত আনন্দৰ পৰিৱেশ দেখা গৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2058

অসম

ধেমাজিত জনজাতীয় গৌৰৱ দিৱস উপলক্ষে ৪ দিনীয়া কাৰ্যসূচী ঘোষণা

NewzNow ডেস্ক | ১১ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৪৩



ধেমাজি, ১১ নৱেম্বৰ: লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱাই ১০ নৱেম্বৰৰ পৰা ১৮ নৱেম্বৰলৈ জনজাতীয় গৌৰৱ দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচী ঘোষণা কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2052

অসম

২৮ নৱেম্বৰলৈ স্থগিত কামতাপুৰ আন্দোলন

NewzNow ডেস্ক | ১১ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:২৯



কোকৰাঝাৰ, ১১ নৱেম্বৰ: অসম চৰকাৰে আলোচনাৰ বাবে সংশ্লিষ্ট পৰিষদক আমন্ত্রণ জনোৱাৰ পিছতে কামতাপুৰ আন্দোলন ২৮ নৱেম্বৰলৈ স্থগিত ৰখা হৈছে।

নিজৰ দীৰ্ঘদিনীয়া দাবীসমূহ পূৰণৰ দাবীত কোচ-ৰাজবংশী জনগোষ্ঠীৰ প্ৰতিবাদকাৰীসকলে ১১ নৱেম্বৰত কোকৰাঝাৰৰ ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথত অনিৰ্দিষ্টকালীন অৱৰোধ কাৰ্যসূচী ৰূপায়ণৰ প্ৰস্তুতি চলাইছিল।

এই কাৰ্যসূচীক কেন্দ্ৰ কৰি অঞ্চলটোত উত্তেজনাৰ সৃষ্টি হয়।

ইয়াৰ মাজতে ৰাজ্য চৰকাৰে সংশ্লিষ্ট পৰিষদক আলোচনাৰ বাবে আমন্ত্রণ জনায়। চৰকাৰৰ এই পদক্ষেপৰ পিছতে আন্দোলনকাৰী পক্ষই ২৮ নৱেম্বৰলৈ আন্দোলন স্থগিত ৰখাৰ সিদ্ধান্ত লয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2042

অসম

কলিয়াবৰৰ বৰঘুলিত গুলীচালনাৰ ঘটনা, ২৪ ঘণ্টাৰ ভিতৰতে গ্ৰেপ্তাৰ অভিযুক্ত

NewzNow ডেস্ক | ১১ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:১৯



কলিয়াবৰ, ১১ নৱেম্বৰ, ২০২৬:

কলিয়াবৰৰ বৰঘুলিত গুলীচালনাৰ ঘটনা! কলিয়াবৰৰ ২নং বৰঘুলিত মাটি-বাৰীক কেন্দ্ৰ কৰি সংঘটিত গুলীচালনাৰ ঘটনাত অভিযুক্তক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে চুলুং আৰক্ষী। ঘটনাৰ ২৪ ঘণ্টাৰ ভিতৰতে আৰক্ষীয়ে আইজুল নামৰ অভিযুক্তজনক গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে ।

উল্লেখ্য যে, মাটি-বাৰীক কেন্দ্ৰ কৰি সৃষ্টি হোৱা সংঘাতৰ পৰিণতিত সংঘটিত হোৱা বুলি সন্দেহ কৰা এই গুলীচালনাৰ ঘটনাত কেইবাজনো লোক আহত হৈছিল। অৱশ্যে আহতৰ সঠিক সংখ্যা এতিয়ালৈ সঠিককৈ প্ৰকাশ পোৱা নাই।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1991

অসম

ডিব্ৰুগড়ৰ মাইজানত কুঠাৰৰ আক্ৰমণত যুৱকৰ মৃত্যু, অভিযুক্ত গ্ৰেপ্তাৰ

NewzNow ডেস্ক | ১১ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:০২



ডিব্ৰুগড়, ১১ নৱেম্বৰ: ডিব্ৰুগড় জিলাৰ মাইজানত কুঠাৰেৰে কৰা আক্ৰমণত গুৰুতৰভাৱে আহত হৈ ২৪ বছৰীয়া এজন যুৱকৰ মৃত্যু হৈছে। ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত আৰক্ষীয়ে ৩০ বছৰীয়া এজন লোকক গ্ৰেপ্তাৰ কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2030

অসম

চিন্ময় ৰঞ্জন দত্ত সোঁৱৰণী শিল্পী বঁটা-২০২৬ ঘোষণা বিশিষ্ট শিক্ষাবিদ, দীনেশ গগৈলৈ এই বৰ্ষৰ সন্মান

শাহ আলম | ১১ নৱেম্বৰ ২০২৬, আবেলি ৫:৩৪



গোলাঘাট, ১১ নৱেম্বৰঃ ঘোষণা কৰা হ'ল চিন্ময় ৰঞ্জন দত্ত সোঁৱৰণী শিল্পী বঁটা-২০২৬। এইবৰ্ষৰ এই বঁটা আগবঢ়োৱা হ'ব বিশিষ্ট শিক্ষাবিদ, প্ৰথিতযশা সাংস্কৃতিক কৰ্মী তথা চলচ্চিত্ৰ নিৰ্মাতা দীনেশ গগৈলৈ। বঁটাপ্ৰাপক নিৰ্বাচনৰ বাবে গঠিত জুৰীয়ে সৰ্বসন্মতিক্ৰমে নিৰ্বাচন কৰিছে তেওঁৰ নাম।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2151

অসম

আজিৰে পৰা আৰম্ভ ৭১সংখ্যক বৰদলৈ ট্ৰফীৰ ক্লাষ্টাৰ ৰাউণ্ড

NewzNow ডেস্ক | ১১ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৩৪



গুৱাহাটী, ১১ নৱেম্বৰ: অসমৰ ঐতিহ্যবাহী ফুটবল প্ৰতিযোগিতা ৭১সংখ্যক বৰদলৈ ট্ৰফীৰ ক্লাষ্টাৰ ৰাউণ্ড বুধবাৰৰ পৰা ৰাজ্যৰ ছটা স্থানত আৰম্ভ হ'ব।

শিৱসাগৰ, তেজপুৰ, গোলাঘাট, বৰপেটা, শিলচৰ আৰু সোণকুছিত প্ৰতিযোগিতাৰ এই পৰ্যায়ৰ খেলসমূহ অনুষ্ঠিত হ'ব। প্ৰতিটো ক্লাষ্টাৰৰ পৰা দুটাকৈ দলে চূড়ান্ত ৰাউণ্ডলৈ যোগ্যতা অৰ্জন কৰিব। অৰ্থাৎ, ছটা ক্লাষ্টাৰৰ পৰা মুঠ ১২টা দলে গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া চূড়ান্ত ৰাউণ্ডত অংশগ্ৰহণৰ সুযোগ লাভ কৰিব।

প্ৰতিযোগিতাৰ চূড়ান্ত ৰাউণ্ড ২০ নৱেম্বৰৰ পৰা গুৱাহাটীত অনুষ্ঠিত হ'ব। ক্লাষ্টাৰ পৰ্যায়ৰ খেলসমূহৰ জৰিয়তে চূড়ান্ত পৰ্যায়ত অংশগ্ৰহণ কৰিবলগীয়া দলসমূহ নিৰ্বাচন কৰা হ'ব।

অসমৰ ফুটবল ইতিহাসৰ সৈতে গভীৰভাৱে জড়িত বৰদলৈ ট্ৰফীয়ে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ফুটবল দলসমূহক প্ৰতিভা প্ৰদৰ্শনৰ এখন গুৰুত্বপূৰ্ণ মঞ্চ প্ৰদান কৰি আহিছে। এইবাৰৰ প্ৰতিযোগিতাতো ছটা স্থানত অনুষ্ঠিত হ'বলগীয়া ক্লাষ্টাৰ ৰাউণ্ডৰ খেলসমূহক লৈ ফুটবলপ্ৰেমীৰ মাজত উৎসাহ সৃষ্টি হৈছে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2096

NewzNow ই-কাকত: প্ৰতিদিনে সন্ধিয়া newznow.in/epaper-ত। প্ৰতিটো খবৰৰ সম্পূৰ্ণ বিৱৰণ, ভিডিঅ' আৰু আপডেট newznow.in-ত পঢ়ক।
খবৰ শুনক: newznow.in/listen

ক্ৰীড়া

পঞ্জাব কিংছলৈ হাৰ্দিক, মুম্বাই ইণ্ডিয়ানছত অৰ্শদীপ; IPLত বৃহৎ সালসলনি

NewzNow ডেস্ক | ১১ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:১৭



নতুন দিল্লী, ১১ নৱেম্বৰ: আই পি এল ২০২৭ৰ পূৰ্বে ভাৰতীয় ক্ৰিকেটৰ দুগৰাকী তাৰকা খেলুৱৈৰ মাজত বৃহৎ সালসলনি সম্পন্ন হৈছে। মুম্বাই ইণ্ডিয়ানছৰ অধিনায়ক হাৰ্দিক পাণ্ডিয়া পঞ্জাব কিংছলৈ যোৱাৰ বিপৰীতে পঞ্জাব কিংছৰ তাৰকা বেগী বলাৰ অৰ্শদীপ সিং মুম্বাই ইণ্ডিয়ানছত যোগ দিব।


বুধবাৰে আই পি এল কৰ্তৃপক্ষই এই খেলুৱৈ সালসলনি আনুষ্ঠানিকভাৱে নিশ্চিত কৰে। হাৰ্দিক পাণ্ডিয়াই ১৮ কোটি টকাৰ চুক্তিমূল্যত পঞ্জাব কিংছত যোগ দিব। মুম্বাই ইণ্ডিয়ানছৰ সৈতে তেওঁৰ পূৰ্বৰ চুক্তিমূল্য আছিল ১৬.৩৫ কোটি টকা।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2086

আন্তঃৰাষ্ট্ৰীয়

ৰাৱালপিণ্ডিত গুলীবিদ্ধ হৈ টেলিভিছন সংবাদ পাঠিকা ৰাবিয়া আহছানৰ মৃত্যু

NewzNow ডেস্ক | ১১ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:১১



ৰাৱালপিণ্ডি: পাকিস্তানৰ ৰাৱালপিণ্ডিত নিজ বাসভৱনত গুলীবিদ্ধ হৈ মৃত্যু হৈছে ৪১ বছৰীয়া টেলিভিছন সংবাদ পাঠিকা তথা অনুষ্ঠান সঞ্চালিকা ৰাবিয়া আহছানৰ।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2069